# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 25-05-2025
**Time :** 17-15 HRS

***Assamese Evening Bulletin***

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নতুন দিল্লীত কালি সামৰণি পৰা ৰাইজিং নৰ্থ-ইষ্ট শীৰ্ষ সন্মিলনৰ প্ৰশংসা কৰি উত্তৰ পূৰ্বাঞ্চল বিভিন্ন ক্ষেত্ৰত অভিনৱ বুলি মন্তব্য কৰিছে। আকাশবাণীৰ মন কী বাত অনুষ্ঠানত আজি তেওঁ উত্তৰ-পূবক ভূয়সী প্ৰশংসা কৰে। ছিকিমৰ পৰম্পৰাগত হস্ততাঁত-বস্ত্ৰশিল্পৰ, আধুনিকতাৰ সৈতে সংমিশ্ৰন ঘটাই থলুৱাভাৱে আকৰ্ষণীয় বস্ত্ৰ সামগ্ৰী উৎপাদন কৰা Crafted Fibers নামৰ প্ৰতিষ্ঠানটোৰ প্ৰধানমন্ত্ৰীয়ে শলাগ লয়। এগৰাকী পশু চিকিৎসকৰ উদ্যোগত ভেড়া আৰু শহাপহুৰ নোমৰ পৰা উৎপাদিত ঊণক প্ৰাকৃতিক ৰঙৰ জৰিয়তে আকৰ্ষণীয় উৰা কাপোৰ, মোজা আদি প্ৰস্তুত কৰা এই প্ৰতিষ্ঠানে স্থানীয় লোকসকলৰ দক্ষতা বৃদ্ধি কৰি তেওঁলোকক আত্মনিৰ্ভৰশীল কৰি তুলিছে বুলি শ্ৰীমোদীয়ে উল্লেখ কৰে।

অপাৰেচন সিন্দূৰে সমগ্ৰ বিশ্বতে সন্ত্ৰাসবাদ বিৰোধী যুঁজত ভাগ লোৱাসকলৰ আত্মবিশ্বাস বৃদ্ধি কৰা বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে এই অভিযানৰ সময়ত দেশৰ সশস্ত্ৰ বাহিনীসমূহে প্ৰদৰ্শন কৰা সাহসিকতাৰ শলাগ লয়। সীমান্তৰ সিপাৰৰ সন্ত্ৰাসবাদীৰ ঘাটিসমূহ স্থিৰ লক্ষ্যৰে আঘাত হানি ধ্বংস কৰা সুনিৰ্দিষ্ট অভিযানক প্ৰশংসা কৰাৰ লগতে তেওঁ কয় যে সম্প্ৰতি সমগ্ৰ দেশেই সন্ত্ৰাসবাদৰ বিৰুদ্ধে ঐক্যবদ্ধভাৱে থিয় দিছে আৰু ইয়াৰ অৱসান ঘটোৱাৰ বাবে বদ্ধপৰিকৰ হৈ পৰিছে। অপাৰেচন সিন্দূৰ কেৱল এটা সামৰিক অভিযানেই নহয়, বৰঞ্চ ই দেশবাসীৰ সাহস আৰু সংকল্পবদ্ধতাৰ প্ৰতিফলন ঘটাইছে বুলি তেওঁ মত প্ৰকাশ কৰে।

দেশৰ ভিন ভিন মহানগৰৰ লগতে সৰু সৰু চহৰ আৰু গাঁওসমূহতো তিৰংগা যাত্ৰাৰ আয়োজন কৰাৰ প্ৰসংগ উল্লেখ কৰি তেওঁ কয় যে সশস্ত্ৰ বাহিনীৰ সন্মানাৰ্থে হাজাৰ হাজাৰ লোক ত্ৰিৰংগ পতাকা লৈ ৰাজপথলৈ ওলাই আহিছে।

অহা ২১ জুনত উদ্যাপন কৰিবলগীয়া আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ প্ৰসঙ্গ উত্থাপন কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে এই অনুষ্ঠানে জনসাধাৰণক তেওঁলোকৰ দৈনন্দিন জীৱনযাত্ৰাৰ সৈতে যোগক সাঙুৰি লোৱাৰ বিষয়টো পুনৰ সোঁৱৰাই দিয়ে। এইবেলি তেওঁ বিশাখাপট্টনমত যোগ দিৱসৰ অনুষ্ঠানত অংশগ্ৰহণ কৰিব বুলিও শ্ৰীমোদীয়ে জানিবলৈ দিয়ে।

আয়ুৰ্বেদৰ ক্ষেত্ৰত বিশ্ব স্বাস্থ্য সংস্থাৰ সঞ্চালক প্ৰধান ড০ টেড্ৰোছ গেব্ৰেয়েছাছৰ উপস্থিতিত কালি সম্পাদিত বুজাবুজি চুক্তিৰ  প্ৰসঙ্গত তেওঁ কয় যে এই চুক্তিয়ে আয়ুষক বিজ্ঞানসন্মত পদ্ধতিৰে সমগ্ৰ বিশ্বৰ বৃহৎ সংখ্যক লোকৰ সৈতে জড়িত হোৱাৰ ক্ষেত্ৰত সহায় কৰিব।

ভাৰত তীব্বত সীমান্ত আৰক্ষী আই টি বি পিৰ একাংশ সদস্যই বিশ্বৰ সবাতোকৈ কঠিন স্থানত অৱস্থিত শৃংগ মাউণ্ট মাকালুৰ আশে-পাশে থকা বৃহৎ পৰিমাণৰ আৱৰ্জনা সংগ্ৰহ কৰি অঞ্চলটো পৰিস্কাৰ কৰা কাৰ্যক প্ৰশংসা কৰাৰ লগতে মন কী বাত অনুষ্ঠানত তেওঁ আৱৰ্জনাৰ পৰা ব্যৱহাৰযোগ্য সামগ্ৰী উৎপাদনৰ বিষয়েও উল্লেখ কৰে।

দেশৰ পৰিবেশতন্ত্ৰৰ সুৰক্ষাৰ লগতে কৃষি ক্ষেত্ৰ আৰু পৰৱৰ্তী প্ৰজন্মসমূহৰ সুৰক্ষাৰ বাবেও মৌ-মাখিক সুৰক্ষা প্ৰদান কৰাটো প্ৰয়োজনীয় বুলি প্ৰধানমন্ত্ৰীয়ে মত প্ৰকাশ কৰে।

ooooo

নেৰানেপেৰা বৰষুণৰ ফলত মেঘালয়ৰ গাৰোপাহাৰৰ পৰা নামি অহা ঢলে দক্ষিণ শালমাৰা মানকাচৰ জিলাত কালো নদীৰ পাৰ খহাই নিয়াৰ উপৰি বিভিন্ন অঞ্চলত খহনীয়াৰ ভাবুকিৰ সৃষ্টি কৰিছে। গাৰোপাহাৰৰ পৰা নামি অহা ঢলে এটা পথ চিগি পেলোৱাৰ ফলত কালাপানী এলেকাত বিস্তৰ ক্ষতি হৈছে। নৈপৰীয়া অঞ্চলত সৃষ্টি হোৱা খহনীয়াই কালাপানী আৰক্ষী চকীৰ লগতে বিভিন্ন অঞ্চলৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিছে। স্থানীয় লোকসকলে এই সমস্যাৰ সমাধানৰ বাবে সংশ্লিষ্ট সকলক ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে।

ooooo

স্বেচ্ছাসেৱী সংগঠন পথিকৰ উদ্যোগত আজি গুৱাহাটীত ধপাত বিৰোধী আৰু সেউজীয়া জীৱনৰ সজাগতা কাৰ্যসূচী অনুষ্ঠিত হয়। পুৱা চাৰে ছয় বজাত ভাৰতীয় ক্ৰীড়া প্ৰাধীকৰণৰ ষ্টেডিয়ামৰ সন্মুখত গুৱাহাটী প্ৰেছ ক্লাৱৰ সভাপতি সুস্মিতা গোস্বামীয়ে চাইক্লথনৰ শুভাৰম্ভ কৰে। এই কাৰ্যসূচীত কেইবাগৰাকীও সাংবাদিকে অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে স্বেচ্ছাসেৱী সংস্থাটোৱে বিগত ২১ বছৰ ধৰি কৰ্কট ৰোগৰ লগতে কেইবাটাও দুৰাৰোগ্য ৰোগৰ ক্ষেত্ৰত সজাগতা সৃষ্টিৰ বাবে কাম কৰি আহিছে। বিগত বছৰৰ দৰে এইবাৰো সংস্থাটো ধপাত জাতীয় সামগ্ৰীৰ বিৰুদ্ধে সজাগতা সৃষ্টিৰ প্ৰয়াস কৰে। এই পদক্ষেপৰ অংশ হিচাপে অহা ১ জুনত গুৱাহাটী শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ বাকৰিত চিত্ৰাংকন প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি প্ৰথমখন খেলত চেন্নাহ ছুপাৰ কিংছ গুজৰাট টাইটানছৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। চেন্নাইয়ে প্ৰথমে বেট ধৰি এই বাতৰি যুগুতোৱাৰ পৰলৈ ১৯ অভাৰত ৪ টা উইকেট হেৰুৱাই ২২১ ৰাণ সংগ্ৰহ কৰিছে।

দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত সন্ধিয়া চাৰে ৭ বজাত হ'বলগীয়া দ্বিতীয়খন খেলত ছান ৰাইজাৰ্ছ হায়দৰাবাদ কলকাতা নাইট ৰাইডাৰ্ছৰ সন্মুখীন হ'ব।

ooooo

ঃঃ সমাপ্ত ঃঃ

ঃঃঃঃঃঃঃঃ